অসম

কোকৰাঝাৰত সদৌ অসম নার্চ সন্থাৰ ৪৬সংখ্যক ৰাজ্যিক অধিৱেশন

কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ২০ আৰু ২১ নৱেম্বৰত অনুষ্ঠিত হ'ব সদৌ অসম নার্চ সন্থাৰ ৪৬সংখ্যক ৰাজ্যিক পূৰ্ণাংগ অধিৱেশন।

প্ৰকাশ: ১৬ নৱেম্বৰ ২০২৬, আবেলি ৪:৩২



Assam Nurses' convention (AI Generated)

কোকৰাঝাৰ, ২০ নৱেম্বৰ: অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালকে ধৰি বিভিন্ন চিকিৎসালয়ত কৰ্মৰত প্ৰায় ১৮ হাজাৰ জি এন এম নার্চৰ উমৈহতীয়া সংগঠন সদৌ অসম নার্চ সন্থা (আনা)ৰ ৪৬সংখ্যক ৰাজ্যিক পূৰ্ণাংগ অধিৱেশন এইবাৰ কোকৰাঝাৰ চহৰত অনুষ্ঠিত হ'ব।

কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ২০ আৰু ২১ নৱেম্বৰত দুদিনীয়াকৈ অধিৱেশনখন অনুষ্ঠিত হ'ব। এই উপলক্ষে সন্থাৰ বিটিএডি শাখাই এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰি পূৰ্ণোদ্যমে কাম-কাজ অব্যাহত ৰাখিছে।

অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী ৰসনা ৰায় আৰু সম্পাদিকা উৰ্মিলা বসুমতাৰীয়ে জনোৱা মতে, ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰায় ৪০০ প্ৰতিনিধিয়ে অধিৱেশনত অংশগ্ৰহণ কৰিব।

অধিৱেশনৰ প্ৰথম দিনা পৰম্পৰাগত কাৰ্যসূচীৰ লগতে নিশালৈ ৰাজ্যিক প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব।

© 2026 NewzNow

দ্বিতীয় দিনাৰ মূল সভাত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী অশোক সিংঘাল, বিটিচিৰ প্রধান হাগ্রামা মহিলাৰী, কেইবাগৰাকীও বিধায়ক আৰু স্বাস্থ্য বিভাগৰ প্রায় একুৰি উচ্চপদস্থ বিষয়াই অংশগ্রহণ কৰিব।

সভালৈ কোকৰাঝাৰ জিলাত বিভিন্ন সামাজিক স্তৰত কাম কৰি থকা প্রায় ২৫গৰাকী সন্মানীয় ব্যক্তিক নিমন্ত্রণ জনোৱা হৈছে। অধিৱেশন উপলক্ষে অভ্যর্থনা সমিতিয়ে এখন স্মৰণিকা প্রস্তুত কৰি উলিয়াইছে।

অধিৱেশনখন সফল কৰি তুলিবলৈ অভ্যর্থনা সমিতিয়ে কোকৰাঝাৰ জিলাৰ সকলো স্তৰৰ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3605/kokrajhar-all-assam-nurses-conference